NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 21**-11-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গায়েনাৰ সংসদত ভাষণ দিব।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰী লয়ড আষ্টিনে ভাৰত-আমেৰিকা প্ৰতিৰক্ষা সহযোগিতাৰ ক্ষেত্ৰত লাভ কৰা প্ৰগতিৰ ভূয়শী প্ৰশংসা কৰিছে।

৩। ৫৫ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ শ্ৰেষ্ঠ নৱাগত পৰিচালক শাখাৰ বাবে মণিপুৰৰ লক্ষ্মীপ্ৰিয়া দেৱী পৰিচালিত মণিপুৰী ছবি বুংসহ ৫ খন ছবি বাছনি কৰা হৈছে।

৪। পাকিস্তানৰ খাইবাৰ পাখটুনখ্বা প্ৰদেশত সংঘটিত নিৰ্বিচাৰ গুলীবৰ্ষণৰ ঘটনাত কমেও ৩৮ জন লোকে প্ৰাণ হেৰুৱাইছে।

*আৰু*

৫। ভাৰতৰ লক্ষ্য সেনে চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জৰ্জটাউনত গায়েনাৰ সংসদত ভাষণ দিব। তেওঁ লগতে গায়েনা আৰু কেৰিবীয় অঞ্চলৰ আগশাৰীৰ ক্ৰিকেট খেলুৱৈসকলৰ সৈতে মত বিনিময় কৰিব আৰু দেশখনত বাস কৰা ভাৰতীয়মূলৰ এটা সমাৱেশকো সম্বোধন কৰিব। প্ৰধানমন্ত্ৰী মোদীক সম্প্ৰতি তিনি দিনীয়া ভ্ৰমণসূচীৰে গায়েনাত আছে। আমাৰ সংবাদদাতাই জনাইছে যে, প্ৰধানমন্ত্ৰী মোদীয়ে গায়েনাৰ সংসদৰ বিশেষ অধিৱেশনত ভাষণ দিব। ইয়াকে লৈ শ্ৰী মোদীয়ে বিদেশী ৰাষ্ট্ৰৰ সংসদত ভাৰতৰ জনসাধাৰণৰ হৈ চতুৰ্দশবাৰৰ বাবে ভাষণ দিব। শ্ৰী মোদী বিদেশ সংসদত সৰ্বাধিক ভাষণ দিয়া ভাৰতীয় প্ৰধানমন্ত্ৰীৰ কৃতিত্ব অৰ্জন কৰিছে। যোৱা নিশা শ্ৰী মোদীয়ে দ্বিতীয় ভাৰত-কেৰীকম শীৰ্ষ সন্মিলনত ভাগ লৈ তেওঁ লগতে গায়েনা, ড'মিনিকা, ছুৰিনাম, ত্ৰিনিদাদ আৰু টোবাগো, বাহামাছ, বাৰ্বাডোছ আৰু গ্ৰেনাডাকে ধৰি কেৰিকম ৰাষ্ট্ৰসমূহৰ নেতৃবৰ্গৰ সৈতেও দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

ভাৰত আৰু গায়েনাই স্বাস্থ্য, হাইড্ৰ'কাৰ্বন, কৃষি আৰু আনুসংগিক খণ্ডসমূহত সহযোগিতা সুদৃঢ় কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী মোদী আৰু গায়েনাৰ ৰাষ্ট্ৰপতি মহম্মদ ইৰফান আলীৰ মাজত অনুষ্ঠিত প্ৰতিনিধি পৰ্যায়ৰ আলোচনাৰ অন্তত দহখন চুক্তি স্বাক্ষৰ কৰে। দুয়োখন দেশে চিকিৎসা সামগ্ৰী, জন ঔষধী আঁচনি, সাংস্কৃতিক বিনিময়

কাৰ্যসূচী গায়ানাইত ইউ পি আই প্ৰণালী আৰম্ভ কৰা আৰু প্ৰসাৰ ভাৰতী তথা গায়ানাৰ ৰাষ্ট্ৰীয় যোগাযোগ নেটৱৰ্কৰ মাজত প্ৰচাৰৰ ক্ষেত্ৰত সহযোগিতাৰ বাবে এই বুজাবুজিৰ চুক্তি কেইখন সম্পাদন কৰা হয়।

oooooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰী লয়ড আষ্টিনে পৰিচালন সমন্বয়, তথ্যৰ আদান-প্ৰদান আৰু ঔদ্যোগিক উদ্ভাৱনৰ ভিত্তিত ভাৰত, আমেৰিকা প্ৰতিৰক্ষা সহযোগিতাৰ ক্ষেত্ৰত লাভ কৰা প্ৰগতিৰ ভূয়শী প্ৰশংসা কৰিছে। দুয়োগৰাকী নেতা আজি লাওছৰ ভিয়েটিয়ানেট একাদশ আছিয়ান প্ৰতিৰক্ষা মন্ত্ৰীৰ বৈঠকৰ অৱসৰত বৈঠকত মিলিত হয়। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে, যে বৈঠকত দুয়ো পক্ষই ভাৰত-আমেৰিকা প্ৰতিৰক্ষা ঔদ্যোগিক সহযোগিতা পৰিকল্পনাৰ অধীনত জেট ইঞ্জিন, যুদ্ধ সামগ্ৰী আৰু গ্ৰাউণ্ড মবিলিটি প্ৰণালীসহ বিভিন্ন ক্ষেত্ৰত লাভ কৰা প্ৰগতিৰ কথা স্বীকাৰ কৰে।

oooooooo

৫৫ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ ২০২৪ গোৱাত কালিৰে পৰা আৰম্ভ হৈছে। ৪১ খন দেশৰ লগতে অন্যান্য খণ্ডৰ ১৮০ খন ছবি এই মহোৎসৱত প্ৰদৰ্শন কৰা হ'ব। প্ৰথমবাৰৰ বাবে এইবাৰ ভাৰতীয় চলচ্চিত্ৰ শিতানত শ্ৰেষ্ঠ নৱাগত পৰিচালক শাখা অন্তৰ্ভুক্ত কৰা হৈছে। এই শিতানত ৫ খন ছবি বাচনি কৰা হৈছে। এই ৫খন ছবিৰ ভিতৰত মণিপুৰৰ লক্ষ্মীপ্ৰিয়া দেৱী পৰিচালিত মণিপুৰী ছবি **বুং** আছে। ছবিখনৰ চিত্ৰনাট্যও লক্ষ্মীপ্ৰিয়া দেৱীৰ। স্কুলীয়া ছাত্ৰ এজনে পিতৃক বিচৰাৰ লগতে পৰিয়ালক এক গোট কৰিবলৈ কৰা সংগ্ৰামক কেন্দ্ৰ কৰি ছবিখন দৰ্শকলৈ আগবঢ়োৱা হৈছে। অহা ২৮ নৱেম্বৰত এই মহোৎসৱৰ সামৰণি পৰিব।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৫ নৱেম্বৰত নতুন দিল্লীৰ ভাৰত মণ্ডপমত আই চি এ গোলকীয় সমবায় সন্মিলন মুকলি কৰিব। নতুন দিল্লীক আজি এখন সংবাদমেল সম্বোধন কৰি সমবায় মন্ত্ৰালয়ৰ সচিব ড০ আশিষ কুমাৰ ভূটানিয়ে কয়, যে প্ৰথমবাৰৰ বাবে ভাৰতত গোলকীয় সমবায় সন্মিলন আৰু সাধাৰণ সভাৰ আয়োজন কৰা হৈছে। তেওঁ কয়, যে শ্ৰী মোদীয়ে এই সন্মিলনত আন্তঃৰাষ্ট্ৰীয় সমবায় বৰ্ষ ২০২৫ সন্দৰ্ভত এটা স্মাৰক ডাক টিকট মুকলি কৰিব। এই ছদিনীয়া সন্মিলনৰ মূল বিষয়বস্তু হৈছে– সমবায়ে সকলোৰে সমৃদ্ধিৰ সূচনা কৰে। ড০ ভূটানিয়ে কয়, যে সন্মিলনত সকলোৰে বাবে যৌথ, শান্তিপূৰ্ণ আৰু সমৃদ্ধিশালী ভৱিষ্যৎ গঢ়ি তোলাৰ ক্ষেত্ৰত সমবায়সমূহৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা হ'ব। ভূটানৰ প্ৰধানমন্ত্ৰী ডাছো শ্বেৰিং টোবগে আৰু ফিজিৰ উপ-প্ৰধানমন্ত্ৰী মনোৱা কেমিকেমিকাই এই সন্মিলনত ভাগ লোৱাৰ কথা আছে।

oooooooo

পাকিস্তানৰ উত্তৰ-পশ্চিম প্ৰান্তৰ খাইবাৰ পাখটুনখ্ৱা প্ৰদেশৰ এটা জনজাতীয় অধ্যুষিত এলেকাত আজি কেইজনমান বন্দুকধাৰীয়ে  যাত্ৰীবাহী বাহনক লক্ষ্য কৰি চলোৱা নিৰ্বিচাৰ গুলীবৰ্ষণৰ ঘটনাত কমেও ৩৮ জন লোকে প্ৰাণ হেৰুৱাই আৰু অন্য ২৯ জন আহত হয়। প্ৰদেশখনৰ মুখ্য সচিব নদীম অছলম চৌধৰীয়ে প্ৰকাশ কৰা মতে জনজাতীয় অধ্যুষিত কুৰ্ৰম জিলাত এই আক্ৰমণ সংঘটিত হয়। তেওঁ কয়, যে এই ঘটনাত নিহত লোকৰ সংখ্যা বৃদ্ধি পাব পাৰে বুলি আশংকা কৰা হৈছে। প্ৰাপ্ত বাতৰি অনুসৰি যাত্ৰীবাহী বাহনৰ দুটা কনভয় পেছাৱৰৰ পৰা

পাৰাছিনাৰ আৰু পাৰাছিনাৰ পৰা পেছাবৰ অভিমুখে গৈ থকা অৱস্থাত সশস্ত্ৰ লোক কেইজনে বাহন কেইখনক লক্ষ্য কৰি গুলীবৰ্ষণ কৰে।

০০০০০০০০

বিজেপিয়ে আজি আমেৰিকা যুক্তৰাষ্ট্ৰত এগৰাকী বিশেষ ব্যৱসায়ীয়ে ভেটি দিয়াৰ অভিযোগ উঠাৰ পাছত চৰকাৰক দোষী বুলি কোৱাৰ বাবে জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীক তীব্ৰ সমালোচনা কৰে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত দলৰ মুখপাত্ৰ সম্বিত পাত্ৰই কয়, যে সংশ্লিষ্ট কোম্পানীটোৱে আত্মপক্ষৰ সমৰ্থন কৰিব আৰু আইনে নিজৰ কাম কৰিব। শ্ৰী পাত্ৰই বিষয়টোৰ তদন্ত কৰাৰ বাবে যুটীয়া সংসদীয় কমিটি গঠনৰ বাবে শ্ৰী গান্ধীয়ে জনোৱা দাবী প্ৰত্যাক্ষাণ কৰে আৰু কংগ্ৰেছ নেতাগৰাকীয়ে ভাৰতীয় বজাৰ দুৰ্বল কৰাৰ বাবে চেষ্টা চলাবলৈ অভিযোগ তোলে। বিজেপি নেতাগৰাকীয়ে কয়, যে এই অভিযোগ ২০২১ চনৰ জুলাইৰ পৰা ২০২২ চনৰ ফেব্ৰুৱাৰীৰ সময়ছোৱাত বিদ্যুৎ ক্ৰয়ৰ চুক্তিৰ সৈতে জড়িত। তেওঁ কয়, যে এই চুক্তিৰ সৈতে জড়িত চাৰিওখন ৰাজ্যত সেই সময়ত বিজেপি অথবা ইয়াৰ কোনো মিত্ৰদল শাসনত নাছিল। ইয়াৰ পূৰ্বে ৰাহুল গান্ধীয়ে চৰকাৰী ব্যৱসায়ীজনক ৰক্ষা-বেক্ষণ দিয়া বুলি অভিযোগ উত্থাপন কৰিছিল। এই ঘটনাৰ তদন্তৰ বাবে যুটীয়া সংসদসীয় সমিতি গঠনৰ বাবে দাবী জনাই শ্ৰী গান্ধীয়ে বিষয়টো সংসদত উত্থাপন কৰিব বুলি মন্তব্য কৰিছিল।

০০০০০০০০

আম আদমী পাৰ্টিয়ে দিল্লীৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ১১ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰে। দলে ব্ৰহ্ম সিং টনৱৰক ছটৰপুৰ বিধানসভা সমষ্টিৰ পৰা, সুমেশ চৌকিনক মটিয়ালাৰ পৰা, গৌৰৱ শৰ্মা ঘোন্দাৰ পৰা, বীৰ সিং ধিংগানক সীমাপুৰীৰ পৰা, চৌধৰী জুবেইৰ আহমেদক ছিলমপুৰৰ পৰা আৰু অনিল ঝাক কিৰাৰিৰ পৰা প্ৰাৰ্থীত্ব প্ৰদান কৰিছে।

০০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম ৰেঞ্জৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০০

ভাৰতৰ লক্ষ্য সেনে চীনৰ শ্বেনঝেনত অনুষ্ঠিত চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। লক্ষ্য সেনে আজি বিয়লি দ্বিতীয় ৰাউণ্ডৰ এখন খেলত জাৰ্মানীৰ ৰাছমুছ গেমকেক ২১-১৬, ২১-১৮ গেমত পৰাস্ত কৰে। ভাৰতৰ ছিৰাগ ছেট্টী আৰু ছাত্বিকছাইৰাজ ৰনকীৰেড্ডীৰ যুটীটোৱেও ডেনমাৰ্কৰ ৰাছমুছ কেআৰ আৰু ফ্ৰেডেৰিক ছুগোৰ যুটীটোক ২১-১৯, ২১-১৫ গেমত পাৰভূত কৰি পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। অৱশ্যে ত্ৰিছা জলী আৰু গায়ত্ৰী গোপিচান্দৰ যুটীটো

মহিলাৰ ডাবলছৰ দ্বিতীয় ৰাউণ্ডত চীনৰ লিউ শ্বে আৰু টান নিঙৰ হাতত ১৬-২১, ১১-২১ গেমত পৰাভূত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বোৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ বাবে পাঁচখন খেলৰ টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্ট মেচ কাইলৈ পাৰ্থত আৰম্ভ হ'ব। ভাৰতীয় দলৰ নিয়মীয়া অধিনায়ক ৰোহিত শৰ্মাই ব্যক্তিগত অসুবিধাৰ বাবে প্ৰথম টেষ্টত অংশগ্ৰহণ কৰিব নোৱাৰাৰ বাবে যশপ্ৰীত বুমৰাই দলটোৰ দায়িত্ব ল'ব। ভাৰতীয় দলৰ আন এগৰাকী আগশাৰীৰ বেটচমেন শুভমন গীলেও আঘাতৰ বাবে প্ৰথম টেষ্টত ভাগ ল'ব নোৱাৰে। টেষ্ট মেচৰ পূৰ্বে আজি ভাৰত আৰু অষ্ট্ৰেলিয়া দুয়োটা দলেই অনুশীলনত অংশ লয়। ভাৰতীয় সময় অনুসৰি কাইলৈ পুৱা ৭ বাজি ৫০ মিনিটৰ পৰা এই খেল আৰম্ভ হ'ব।

০০০০০০০০

সমাপ্ত